- অক্ষিপটত থকা দণ্ডকোষ নামৰ ফটোগ্রাহক কোষবিধে পোহৰ আৰু শংকুকোষ নামৰ কোষবিধে ৰং ধৰা পেলায়। এই দুটোবিধ কোষে পোহৰৰ ৰশ্মিক বৈদ্যুতিক স্পন্দললৈ ৰূপান্তৰ কৰে আৰু দৃষ্টিবাহী স্নায়ুৰ মাজেৰে মস্তিষ্কলৈ প্ৰেৰণ কৰে।
- মস্তিষ্কই চকুৰ পৰা পোৱা স্পন্দন সংকেতবোৰৰ অর্থ ভাঙে আৰু তাৰপাছত আমি যিটো বস্তুৰ ওপৰত দৃষ্টি দি আছো সেয়া 'দেখা' পাওঁ।
- কাণ হ'ল শ্ৰৱণ প্ৰণালীৰ এটা অংশ।
- কাণৰ প্ৰধান অংশ তিনিটা হ'ল- বাহিৰ কাণ, মধ্য কাণ আৰু ভিতৰ কাণ।
- কাণ দৃশ্যমান অংশটোৱে, যাক কাণৰ পতা কৰ্ণপট বোলা হয়, ধ্বনি সংগ্ৰহ কৰে। সেই ধ্বনিবোৰ বহিঃ কৰ্ণ নলীৰে ভিতৰলৈ গতি কৰে। ধ্বনিয়ে কাণৰ পৰ্দাত কম্পনৰ সৃষ্টি কৰে। এই কম্পনে আকৌ মধ্যকাপত থকা তিনিডাল ক্ষুদ্ৰ অস্থিত (হেমাৰ, এনভিল আৰু ষ্টিৰাপ) কঁপনি তোলে। তাৰ পাছত এই কম্পন ভিতৰ কাণত থকা শামুক আকৃতিৰ কৰ্ণশংখলৈ গতি কৰে। কৰ্ণশংখত সংবেদী চুলিকোষৰ শাৰী থাকে। ই স্নায়ু সংকেত সৃষ্টি কৰে। এই সংকেতবোৰে তাৰপাছত মস্তিষ্কলৈ গতি কৰে।



৫.৭ প্ৰসংগ পুথি

(১) Saikia, Lutfun Rasul (1997) : Psychological and Statistical Experiments in Education, Saraighat Printers, Guwahati.

(২) https://en.wikipedia. org/? title=Ear

(৩) www. wikimedia. org

৫.৮ আৰ্হি প্ৰশ্ন

অভীক্ষা ঃ

প্ৰশ্ন ১) মানৱ মস্তিষ্কৰ ছবি আঁকি ইয়াৰ গঠন আৰু বিভিন্ন অংশ চিনাক্ত কৰক।

প্ৰশ্ন ২) মানুহৰ চকুৰ ছবি আঁকি ইয়াৰ গঠন আৰু বিভিন্ন অংশ চিনাক্ত কৰক।

প্ৰশ্ন ৩) মানুহৰ কাণৰ ছবি আঁকি ইয়াৰ গঠন আৰু বিভিন্ন অংশ চিনাক্ত কৰক।

প্ৰশ্ন ৪) মানৱ মস্তিষ্কৰ বিভিন্ন কাৰ্যৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৫) মানুহৰ চকুৰ কাৰ্যবোৰৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ৬) মানুহৰ কাণৰ কাৰ্যবোৰৰ বিষয়ে বৰ্ণনা কৰক।

*** ***** ***